# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 06-08-2024
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*

\- - - - - - - - - - - - - - - - - - - - - -

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি সংসদৰ উভয় সদনৰ বৈঠকত চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ সাম্প্ৰতিক স্থিতি সন্দৰ্ভত কয় যে, বৰ্তমান প্ৰায় ৯ হাজাৰ শিক্ষাৰ্থীকে ধৰি ১৯ হাজাৰ ভাৰতীয় নাগৰিক বাংলাদেশত আছে। বহুসংখ্যক শিক্ষাৰ্থী ইতিমধ্যে ঢাকাৰ উচ্চ আয়ুক্তৰ উপদেশমৰ্মে যোৱা মাহত দেশলৈ ঘূৰি আহিছে। বিদেশ মন্ত্ৰীগৰাকীয়ে কয় যে, বাংলাদেশৰ সংখ্যালঘুসকলৰ সুৰক্ষাৰ প্ৰতি যদিও ভাৰতে চিন্তা কৰে এই ক্ষেত্ৰত কোনো পদক্ষেপ লোৱাৰ সময়ত আইন শৃংখলা বজাই ৰখাত অধিক গুৰুত্ব দিয়া হ'ব। তেওঁ কয় যে, ভাৰত-বাংলাদেশ সীমান্ত অঞ্চলত সুৰক্ষাৰ ক্ষেত্ৰত অধিক সতৰ্কতা অৱলম্বন কৰা হৈছে। তেওঁ কয় যে, বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই পদত্যাগ কৰাৰ পাছত ভাৰতলৈ আহিবৰ বাবে অনুমতি বিচাৰিছিল আৰু কালি সন্ধিয়া দিল্লীত উপস্থিত হৈছেহি। যোৱা ২৪ ঘণ্টাত নতুন দিল্লী আৰু ঢাকাৰ প্ৰশাসনিক কৰ্তৃপক্ষৰ মাজত আলোচনা চলি আছে। বাংলাদেশৰ সেনাপ্ৰধান জেনেৰেল ৱাকাৰ উজ জামানে কালি দেশখনক উদ্দেশ্যি দিয়া ভাষণত দেশখনত এখন অন্তৰৱৰ্তীকালীন চৰকাৰ গঠন কৰি দায়িত্ব গ্ৰহণৰ কথা উল্লেখ কৰা বুলিও মন্ত্ৰী ড০ জয়শংকৰে জানিবলৈ দিয়ে।

ইয়াৰ পূৰ্বে চৰকাৰে বাংলাদেশৰ স্থিতি সম্পৰ্কে আলোচনা কৰাৰ বাবে পুৱাৰ ভাগত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰে। নতুন দিল্লীত অনুষ্ঠিত এই বৈঠকত বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে নেতাসকলক বাংলাদেশৰ শেহতীয়া ঘটনাক্ৰম সম্পৰ্কে অৱগত কৰে। ড০ জয়শংকৰে সামাজিক মাধ্যমযোগে সৰ্বদলীয় বৈঠকত লাভ কৰা পূৰ্ণ সমৰ্থনৰ শলাগ লয়।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, গৃহমন্ত্ৰী অমিত শ্বাহ, সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজু আৰু কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা বৈঠকত উপস্থিত থাকে। লোকসভাত বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধী, তৃণমূল কংগ্ৰেছৰ নেতা সুদীপ বন্দোপধ্যায়, এন চি পি শাৰদ পাৱাৰ গোটৰ সুপ্ৰীয়া ছুলে, আৰ জে ডি নেত্ৰী নিশা ভাৰতী, এছ্ পি নেতা প্ৰফেছাৰ ৰাম গোপাল যাদৱ আৰু ডি এম কেৰ টি আৰ বালু প্ৰমুখ্যে বিৰোধী পক্ষৰ ভালেসংখ্যক নেতাই বৈঠকত অংশ লয়। তদুপৰি কেন্দ্ৰীয় মন্ত্ৰী তথা জে ডি ইউ নেতা লল্লন সিং, কেন্দ্ৰীয় মন্ত্ৰী তথা জে ডি এছ্ নেতা এইচ ডি কুমাৰস্বামী, কেন্দ্ৰীয় মন্ত্ৰী তথা টি ডি পি নেতা ৰাম মোহন নাইডু আৰু এল জে পি আৰৰ অৰুণ ভাৰতীয়ে বৈঠকত ভাগ লয়।

ooooo

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ চতুৰ্থ বৰ্ষপূৰ্তিৰ সৈতে সংগতি ৰাখি ৰাজ্যত কালিৰেপৰা ১১ আগষ্টলৈ আয়োজন কৰা শিক্ষা সপ্তাহৰ অংশ হিচাপে আজি মৰিগাঁও জিলাত কাৰ্যসূচী গ্ৰহণ কৰা হয়। জিলাখনত আজি সমগ্ৰ শিক্ষা বিভাগে নডেল শিক্ষকসকলৰ বৃত্তিমুখী পৰামৰ্শ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই প্ৰশিক্ষণত চাংসাৰিৰ চেণ্ট্ৰেল ইনষ্টিটিউট অব্ পেট্ৰ'কেমিকেল ইঞ্জিনীয়াৰিং এণ্ড টেক্ন'ল'জী অৰ্থাৎ ছিপেটৰ কাৰিকৰী

নিৰ্দেশকসকলে সমল ব্যক্তিৰূপে অংশ লৈছে। জিলাখনৰ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ ১২৫ গৰাকী শিক্ষকে অংশগ্ৰহণ কৰা এই প্ৰশিক্ষণৰ উদ্বোধনী অনুষ্ঠানত মৰিগাঁও জিলা শিক্ষা বিভাগৰ বিষয়াসকলৰ উপৰি চিপেটৰ শৈক্ষিক সমন্বয়ক প্ৰাঞ্জল গোস্বামী প্ৰমুখ্যে কেইবাগৰাকীও ব্যক্তিয়ে ভাষণ দিয়ে। উল্লেখযোগ্য যে সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালকে প্ৰতিদিনে একোটা বিশেষ বিষয়বস্তুৰ আধাৰত এই কাৰ্যসূচী গ্ৰহণ কৰাৰ বাবে বিদ্যালয়সমূহলৈ নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি কালিৰ দিনটো শিক্ষণ-শিকন সামগ্ৰীৰ দিন, আজি এফ এল এন দিন, কাইলৈ ক্ৰীড়া দিন, পৰহিলৈ সাংস্কৃতিক দিন, ৯ আগষ্টত দক্ষতা আৰু ডিজিটেল পদক্ষেপ দিন, ১০ আগষ্টত বিদ্যালয় পৰিপুষ্টি দিন আৰু ১১ আগষ্টৰ দিনটো সামুহিক দিন হিচাপে পালন কৰিবলৈ বিদ্যালয়সমূহক নিৰ্দেশ দিয়া হৈছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ জৰিয়তে শিক্ষাক্ষেত্ৰলৈ অহা পৰিৱৰ্তন তথা সাফল্যসমূহক এই কাৰ্যসূচীৰ জৰিয়তে প্ৰতিফলিত কৰিব বিচৰা হৈছে।

ooooo

উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে ২০২১ চনৰ আগষ্ট মাহৰ পৰা ২০২৩ চনৰ আগষ্ট মাহৰ ভিতৰত ডিব্ৰুগড় জিলাত ই-শ্ৰম প'ৰ্টেলত পঞ্জীভুক্ত যোগ্য ব্যক্তিসকলে ৰাষ্ট্ৰৰ খাদ্য সুৰক্ষা আইন, ২০১৩-ৰ অধীনত ৰেচন কাৰ্ড প্ৰদানৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ অংশ হিচাপে আজি বৰবৰুৱা উন্নয়ন খণ্ডৰ কাৰ্যালয়ত খণ্ড উন্নয়ন বিষয়াৰ অধ্যক্ষতাত পৰ্যবেক্ষণ সমিতিৰ এখন জৰুৰী সভা অনুষ্ঠিত হয়। সভাত ২৩৬ গৰাকী হিতাধিকাৰীয়ে দাখিল কৰা আবেদনসমূহ চালি-জাৰি চোৱা হয়। ডিব্ৰুগড় জিলাত যাতে এগৰাকীও হিতাধিকাৰী বাদ নপৰে, সেই ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিবলৈ জিলা আয়ুক্তই নিৰ্দেশ দিছে। উল্লেখযোগ্য যে উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা তালিকাত নাম অন্তৰ্ভুক্ত ব্যক্তিসকলক নতুনকৈ ৰেচন কাৰ্ড প্ৰদান অথবা নাম অন্তৰ্ভুক্তিকৰণ প্ৰক্ৰিয়া অহা ১৩ আগষ্টৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব।

ooooo

সমাপ্ত